# আমাৰ ক'বলগীয়া...

আজি এমাহমান ধৰি সংবাদমাধ্যমত বিশেষকৈ ‘নিউজলাইভ’ নামৰ এটা টেলিভিজন চেনেলত অসমৰ গাৰে-ভূঞে অবৈধ আৰু কর্তৃত্বহীনভাৱে কিছুলোকে নিজে বিজুলী সংযোগৰ লাইন টানি লোৱাৰ দৃশ্যাৱলি দেখুৱাই জনসচেনতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰাৰ বাবে ‘নিউজলাইভ’ক আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিপদজনকভাৱে এনে কর্তৃত্বহীন বিজুলী সংযোগ লোৱাৰ বাবেই অসমৰ ভালেমান ঠাইত দুই এটা দুৰ্ঘটনাৰ কথাও পোহৰলৈ আহিছে। এই দৃশ্যাৱলীয়ে এফালে যেনেকৈ আমাৰ কর্মক্ষেত্ৰত থকা অভিযন্তা, কর্মচাৰীৰ দায়িত্ববোধ বৃদ্ধি কৰাত সহায় কৰিছে - আনফালেদি আমাৰ নিজৰে কিছু বিষয়া-কর্মচাৰীৰ নির্লিপ্ত ভূমিকাৰ কথাও পোহৰলৈ আনিছে। কর্তব্যত গাফিলতি কৰা বিদ্যুত পৰিষদৰ এনে বিষয়া-কর্মচাৰীৰ বিৰুদ্ধে আমি ইতিমধ্যে বিভিন্ন ব্যৱস্থা হাতত লৈছো। ঠিক সেইধৰণেৰে অবৈধ বিদ্যুত সংযোগ লোৱা সকলৰ বিৰুদ্ধেও সৰ্বাত্মক অভিযান চলাবৰ বাবে সমগ্ৰ অসমতে এতিয়া কিছুমান বিশেষ আৰক্ষী থানা গঠন কৰি দিয়া হৈছে।

এই বছৰটোতে অসমৰ বিভিন্ন ঠাইত বিদ্যুত চুৰিৰ ঘটনাত লিপ্ত থকা ৫,১১৫ জন ব্যক্তিৰ বিৰুদ্ধে গোচৰ কৰা হৈছে আৰু ৯৬২ জনক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে। টেলিভিজন চেনেলত দেখুওৱা বাঁহৰ খুটা বা গছৰ দগাত ভেজাদি অবৈধ ভাৱে টানি লোৱা বিজুলী লাইন বিলাক কিন্তু সমগ্ৰ অসমৰ গ্ৰামাঞ্চলত এতিয়া ৰূপায়ণ কৰি থকা ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ কাম নহয়। এইটো সকলোৰে জানে যে সত্তৰৰ দশকৰ আৰম্ভণিৰে পৰা সুদীৰ্ঘ ৩৫ বছৰ কাল অসমৰ চুকে কোণে থকা বিদ্যুত সংবহন আৰু বিতৰণ ব্যৱস্থাটোৰ আধুনিকীকৰণৰ বাবে অসম ৰাজ্যিক বিদ্যুত পৰিষদে অৰ্থৰ অভাৱত বিশেষ একোৰেই কৰিব পৰা নাছিল। সুদীৰ্ঘ কালৰ অন্তত ২০০৬ চনতহে প্ৰথমতে গাঁৱে-গাঁৱে জৰীপ চলাই প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰি অনুমোদন পোৱাৰ পিছত ২০০৮ চনৰ পৰা অসমতে পৰ্য্যায়ক্ৰমে ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ ৰূপায়ণৰ কাম আৰম্ভ হৈছে। এই আঁচনিৰ অন্তৰ্গত ভালেকেইখন জিলাত ইতিমধ্যে প্ৰথম পৰ্য্যায়ৰ কাম শেষ কৰি এতিয়া দ্বিতীয় পৰ্য্যায়ৰ কাম আৰম্ভ কৰিব খোজা হৈছে। বাকীবোৰ জিলাতো এই আঁচনি ৰূপায়ণৰ কাম আশানুৰূপভাৱে আগবাঢ়িছে। আচলতে আমাৰ বাবে ই এক লজ্জাৰ বিষয় আছিল যে ২০০৮ চনলৈকে গ্ৰাম্য অসমৰ মাত্ৰ ১৭ শতাংশ ঘৰতহে বিজুলী সংযোগ আছিল। এতিয়া ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি ৰূপায়ণৰ যোগেদি আমি ২০১১ চনৰ ভিতৰত গ্ৰামাঞ্চলৰ ৭৪শতাংশ ঘৰত বিজুলী সংযোগ দিব পাৰিম। অতি দুৰ্গম আৰু যোগাযোগবিহীন গাঁও কেইখনৰ বাহিৰে ২০১২ চনৰ ভিতৰত আমি অসমৰ আটাইবিলাক ৰাজহ গাঁৱৰ ৯৫ শতাংশ ঘৰত বিদ্যুত সংযোগ দিয়াৰ লক্ষ্য বান্ধি লৈছো। এই আঁচনিয়ে অমিধ্যে প্ৰথম পৰ্য্যায়তে ২২,০০০ খন গাওঁ সামৰি লৈছে আৰু অসমৰ গ্ৰামাঞ্চলৰ ১০ লাখ দুখীয়া পৰিয়ালৰ ঘৰত বিনামূলীয়া প্ৰথম বিদ্যুত সংযোগ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

টেলিভিজন চেনেলে অৱশ্যে অসমৰ ৰাইজক এই কথা কোৱা নাই যে বৰ্ত্তমান অসমত ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ দ্বাৰা প্ৰথম পৰ্য্যায়তে গাওঁ অঞ্চলৰ চুকে কোণে মোঠ ৪৬,৬১০ কিঃ মিঃ দৈৰ্ঘ্যৰ বিভিন্ন সৰু ডাঙৰ নতুন বিজুলী সংযোগ লাইন (LT/11 KV/33 KV) নিমাৰ্ণৰ কাম চলি আছে। ইয়াৰোপৰি কেৱল গাঁও অঞ্চলৰ বাবেই নতুনকৈ ৩৪টা বিদ্যুত শক্তি বিতৰণ কেন্দ্ৰ (33/11 KV) আৰু ২১,৬০০ টা ট্ৰেন্সফৰ্মাৰ বহুৱাৰ কামো চলি আছে। সেইদৰে দ্বিতীয় পৰ্য্যায়ত প্ৰত্যেক গাঁৱৰ বাকী থকা অংশবিলাকো সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এই আঁচনিৰ কাম নিখুতভাৱে সম্পন্ন কৰিবৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত নিবিদা আহ্বান কৰি দক্ষতাসম্পন্ন ঠিকাদাৰ গোটক ৰূপায়ণৰ দায়িত্ব দিয়া হৈছে। ব্যৱহাৰ্য্য সামগ্ৰীসমূহ যেনে - খুটা, তাঁৰ, মিটাৰ, ট্ৰেন্সফৰ্মাৰ আদি যাতে যথোচিত মানদণ্ডৰ হয় তাৰ বাবে সকলো সতৰ্কতা অৱলম্বন কৰা হৈছে। ঠিকাদাৰৰ দ্বাৰা ক্ৰয় কৰা সামগ্ৰীসমূহৰ মানদণ্ড পৰীক্ষাৰ দায়িত্ব দিয়া হৈছে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উচ্চ স্বীকৃতিপ্ৰাপ্ত ৰাইট্চ (RITES) লিমিটেড নামৰ প্ৰতিষ্ঠানৰ এটাক। তাৰোপৰি ব্যৱহৃত সামগ্ৰীসমূহৰ সংস্থাপন তথা লাইনৰ নিৰ্ণাণ কাৰ্যৰ মান নিৰূপণৰ বাবে ব্যৱস্থা কৰা হৈছে তিনি তৰপীয়া পৰীক্ষণৰ। কামৰ মানদণ্ড যাতে নিম্নগামী নহয় তাৰবাবে ৰূপায়ণৰ দায়িত্বপ্ৰাত সংস্থাদ্বয় ‘অসম ৰাজ্যিক বিদ্যুত পৰিষদ’ (ASEB) আৰু ‘পাৱাৰ গ্ৰীড কৰ্পৰেচন অৱ ইণ্ডিয়া লিমিটেড’ (PGCIL) নিজেও সম্পূৰ্ণভাৱে সজাগ। সৰ্বোপৰি নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পিচত ঠিকাদাৰৰ দ্বাৰা সম্পাদিত কামৰ সামগ্ৰিক মানদণ্ড পৰীক্ষা কৰিব দেন্দ্ৰীয় গ্ৰাম্য বৈদ্যুতিকৰণ নিগমে নিজে। অসম চৰকাৰৰ শক্তি বিভাগেও প্ৰতিমাহে দুয়োটা সংস্থা কামৰ অগ্ৰগতি সম্পৰ্কে নিজাববীয়া পৰ্য্যালোচনা কৰে। উল্লেখনীয় এই যে গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম কাৰ্য্যকৰীকৰণ হৈছে সংশ্লিষ্ট গাওঁ সমূহৰ পঞ্চায়ত আৰু গঞা ৰাইজৰ উপস্থিতত। সেয়ে আমি নিশ্চিত যে বৈদ্যুতিক লাইনৰ নিৰ্মাণ কাৰ্য্য কোনো কাৰণতে নিম্নগামী হোৱাৰ থল নাই।

এই ক্ষেত্ৰত আমি সমূহ ৰাইজক আহ্বান জনাব বিচাৰিছো যে আঁচনিখন নিয়াৰিকৈ কাৰ্য্যৰূপায়ণ কৰাৰ আশাশুধীয়া প্ৰচেষ্টাৰ মাজত যদি কিবা ত্ৰুটি কাৰোবাৰ চকুত পৰে সংশ্লিষ্ট কৰ্তৃপক্ষক যাতে তাৎক্ষণিকভাৱে জনায়। আমি ইতিমধ্যে বহুল প্ৰচাৰ কৰি ৰাইজক অনুৰোধ কৰিছো যে দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক বিজুলী সংযোগ দিওঁতে অথবা গাঁৱত বিদ্যুত যোগানৰ বিনিময়ত উৎকোচ বিচাৰি যদি কোনোবাই হাৰাশাস্তি কৰে তেন্তে ৰাইজে যেন অনতিবিলম্বে আমাৰ নিয়োজিত বিশেষ কৰ্মৰত বিষয়াক অৱগত কৰে।

**অসম ৰাজ্যিক বিদ্যুত পৰিষদ।**